সাক্ষৰ ভাৰত

ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in

সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ১০

# অনৈতিক মানৱ সৰবৰাহ নিবাৰণ আইন ১৯৫৬



# অনৈতিক মানৱ সৰবৰাহ নিবাৰণ আইন ১৯৫৬

সমাজত হৈ থকা অনৈতিক মানৱ সৰবৰাহ বৰ্তমান সমাজত এটা প্ৰত্যাহ্বান হৈছে। এনে সৰবৰাহ কৰা লোকৰ শাস্তি বিহাৰ লগতে এনে কাৰ্য্য বন্ধ কৰিবৰ বাবে চৰকাৰে এখন আইন প্ৰণয়ন কৰিছে এই আইনখনেই হ'ল 'অনৈতিক মানৱ সৰবৰাহ নিবাৰণ আইন ১৯৫৬'।

## কোন এই আইনৰ অপৰাধী হয় :

- পতিতাবৃত্তিৰ বাবে ব্যৱহাৰ কৰা আবাস গৃহৰ গৰাকী/ মালিকসকল।
- পতিতাবৃত্তিত জড়িত কৰোৱা।
- পতিতাবৃত্তিত জড়িত কৰিবৰ বাবে ধন লোৱাসকল।
- আনৰ পতিতাবৃত্তিৰ পৰা উপাৰ্জন লাভ কৰাসকল।
- যৌন উৎপীড়নৰ বাবে পতিতালয়লৈ নিয়া লোকসকল।
- পতিতালয়ত আবদ্ধ কৰি ৰাখোতা।

## আইনে কি শাস্তি প্ৰদান কৰিব

- পতিতাবৃত্তিৰ বাবে ব্যৱহাৰ কৰা আবাসগৃহৰ গৰাকীক ২ বছৰৰ পৰা ৭ বছৰ পৰ্য্যন্ত সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকা জৰিমনা।
- পতিতাবৃত্তিত জড়িত কৰা বা পতিতা বৃত্তিৰ বাবে লৈ যোৱা ব্যক্তি গৰাকীক ৩ বছৰৰ পৰা ৭ বছৰলৈ সশ্ৰম কাৰাদণ্ড আৰু ২ হাজাৰ টকা জৰিমনা।
- ইচ্ছাৰ বিৰুদ্ধে এই কামত জড়িত কৰালে ৭ বছৰৰ পৰা ১৪ বছৰলৈ কাৰাদণ্ড।
- এই কামত শিশু জড়িত কৰালে ৭ বছৰ সশ্ৰম কাৰাদণ্ডৰ লগতে যাৱজ্জীৱন কাৰাদণ্ড হ'ব।
- পতিতাবৃত্তিত জড়িত কৰাই সেই উপাৰ্জনৰে দিন কটোৱা সকলক ২ বছৰ কাৰাদণ্ড আৰু ১ হাজাৰ টকা জৰিমনা।



- এই ক্ষেত্ৰত শিশুক জড়িত কৰালে ৭ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ বছৰ পৰ্য্যন্ত কাৰাদণ্ড হ'ব।
- যৌন উৎপীড়নৰ বাবে পতিতালয়লৈ যোৱা অপৰাধীসকলক ৩ মাহৰ পৰা ৬ মাহ পৰ্য্যন্ত কাৰাদণ্ড আৰু ২৫ হাজাৰ পৰা ৫০ হাজাৰ পৰ্য্যন্ত জৰিমনা।

(ক) যিকোনো ঘৰ বা কোঠা য'ত কোনো ব্যক্তিক যৌন উৎপীড়ন চলোৱা হয় সেই ঠাইখনেই পতিতালয়।

(খ) ১৮ বছৰৰ তলত সকলো ল'ৰা ছোৱালীকে এই আইনখনে শিশু বুলি গণ্য কৰে।

(গ) সৰবৰাহকাৰীৰ পৰা উদ্ধাৰ কৰি যিবোৰ ব্যক্তিক, শিশুক মানসিক ভাৰসাম্যতা ৰক্ষা কৰিবলৈ যি ঠাইত ৰখা হয় তাকেই আশ্ৰয় গৃহ বোলা হয়।

(ঘ) আশ্ৰয়গৃহত ব্যক্তি বা শিশুসকলক শুদ্ধ পথলৈ আনিবলৈ চেষ্টা কৰা হয়।

(ঙ) ব্যৱসায়ৰ বাবে কোনো লোকক উৎপীড়ন চলোৱাক পতিতা বৃত্তি বুলি কোৱা হয়।

(চ) ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰে এনে ব্যক্তিসকলক উদ্ধাৰ কৰাৰ বাবে আৰক্ষী বিষয়াক নিয়োগ কৰে।